**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 19**-07-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***
***::::::::::::::::::::::::::::::::::::***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি আনুষ্ঠানিকভাৱে অমৃত বৃক্ষ আন্দোলন টু পইণ্ট জিৰো এপ মুকলি কৰে। উল্লেখযোগ্য যে অমৃত বৃক্ষ আন্দোলনৰ প্ৰথম সংস্কৰণৰ সফলতাৰ পাছত অহা ১ আগষ্টৰ পৰা ১০ আগষ্টলৈ অমৃত বৃক্ষ টু পইণ্ট জিৰোৰ জৰিয়তে সমগ্ৰ ৰাজ্যতে ৩ কোটি গছপুলি ৰোপণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে ৰাজ্য চৰকাৰে নিজা নাৰ্ছাৰীৰ পৰা ৪ কোটিৰো অধিক গছপুলি ব্যৱহাৰ কৰিব। যাৰ ভিতৰত ৩ কোটি গছপুলি ৰোপণৰ বাবে আৰু ১ কোটি গছপুলি প্ৰতিস্থাপনৰ বাবে সংৰক্ষিত ৰখা হ'ব গছপুলি বিতৰণৰ সুবিধাৰ বাবে সমগ্ৰ ৰাজ্যতে ৪ হাজাৰ বিতৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। তদুপৰি চৰকাৰে সমাগত বছৰবোৰত ১০ কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

০০০০০০০০

চলিত বছৰৰ চেপ্তেম্বৰ মাহত ৰাজ্যৰ ৫ টা সমষ্টিৰ উপ নিৰ্বাচন হোৱাৰ সম্ভাৱনা আছে। আজি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে বৰ্তমানৰ অসম বিধানসভা ২০০১ চন অৰ্থাৎ সমষ্টি পুনৰ নিৰ্ধাৰণ হোৱাাৰ আগেয়ে গঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত পূৰ্বে বাহাল থকা বিধানসভা সমষ্টিসমূহতে উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। তেওঁ লগতে কয় যে, এই উপ নিৰ্বাচনত ২০২৩ চনৰ পৰা নতুনকৈ নিৰ্ধাৰণ হোৱা বিধানসভাৰ সমষ্টিসমূহৰৰ সীমা প্ৰযোজ্য নহ'ব। সেয়ে এই ৫ টা সমষ্টিৰ বাবে ২০২১ চনত উপলব্ধ ভোটাৰ তালিকাসমূহ উপ নিৰ্বাচনৰ সময়লৈকে নৱীকৰণ কৰি ব্যৱহাৰ কৰা হ'ব। উল্লেখযোগ্য যে চলিত বছৰত অনুষ্ঠিত লোকসভা নিৰ্বাচনত ৰাজ্যৰ ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিৰ বিধায়কসকল সাংসদ হিচাপে নিৰ্বাচিত হোৱাৰ পাছত সেই সমষ্টিকেইটাৰ আসনকেইখন খালী হৈ ৰয়। সংবাদ মেলত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে লগতে জনোৱা মতে, খচৰা ভোটাৰ তালিকাসমূহ ৩০ জুলাইত প্ৰকাশ কৰা হ'ব। এই সম্পৰ্কত কিবা দাবী, আপত্তি থাকিলে সেয়া দাখিল কৰাৰ সময় ৩০ জুলাইৰ পৰা ১০ আগষ্টলৈ ধাৰ্য্য কৰা হৈছে। আনহাতে, চূড়ান্ত ভোটাৰ তালিকা ২০ আগষ্টত প্ৰকাশ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০০০

অসম বিধানসভাৰ শৰৎকালীন অধিবেশন অহা ২২ আগষ্টৰ পৰা অনুষ্ঠিত হ'ব। ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই কালি এখন অধিসূচনাযোগে শৰৎকালীন অধিবেশন ২২ আগষ্টৰ পৰা হ'ব বুলি প্ৰকাশ কৰে। সেইদিনা পুৱা চাৰে ৯ বজাৰ পৰা অধিবেশনৰ কাম-কাজ আৰম্ভ হ'ব।

০০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া জিলাৰ মাকুম পৌৰ সভাৰ পদেন সদস্য হিচাপে দায়িত্ব গ্ৰহণ কৰে। দায়িত্ব গ্ৰহণৰ পূৰ্বে পৌৰসভাখনৰ কাৰ্যবাহী বিষয়া ৰক্তিম গগৈয়ে শ্ৰীসোণোৱালক শপত বাক্য পাঠ কৰোৱায়। অনুষ্ঠানত সভানেত্ৰী বিপাশা বৰা, প্ৰাক্তন কেন্দ্ৰীয়

মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়ক সুৰেণ ফুকন, হাউচিং বোৰ্ডৰ অধ্যক্ষ পুলক গোহাই আদি উপস্থিত আছিল। ইফালে, তেওঁ ডিগবৈ পৌৰসভাৰো পদেন সদস্য হিচাপে দায়িত্ব গ্ৰহণ কৰে। দায়িত্ব গ্ৰহণৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চহৰখনক আধুনিক ৰূপত গঢ় দিয়াৰ বাবে কাম কৰি যাব লাগিব বুলি উল্লেখ কৰে। তেওঁ প্ৰধানমন্ত্ৰী স্বনিয়োজন আঁচনিৰ কাম নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ডিগবৈ পৌৰসভাই দেশৰ ভিতৰতে স্থান লাভ কৰিবলৈ সক্ষম হোৱাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। ইফালে, কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তিনিচুকীয়াৰ টিডিএ সাংস্কৃতিক প্ৰকল্পত খেলো ইণ্ডিয়াৰ এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

oooooooo

উত্তৰ প্ৰদেশত দুৰ্ঘটনাগ্ৰস্ত ডিব্ৰুগড় অভিমুখী চণ্ডীগড়-ডিব্ৰুগড় এক্সপ্ৰেছত থকা তিনিচুকীয়া জিলাৰ যাত্ৰীসকল কাইলৈ তিনিচুকীয়াত উপস্থিত হোৱাৰ সম্ভাৱনা আছে। সেই অনুসৰি তিনিচুকীয়া ৰে'ল ষ্টেচনত ৰে'ল বিভাগে কেইবাটাও হেল্পলাইন নম্বৰ মুকলি কৰিছে। ৰে'ল বিভাগে মুকলি কৰা নম্বৰ কেইটা হৈছে- 99575 55959, 99575 55984, 94357 47321 আৰু 70860 55881।

oooooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দিনজোৰা কাৰ্যসূচীৰে তিনিচুকীয়া জিলা ভ্ৰমণ কৰে। মন্ত্ৰীগৰাকী তিনিচুকীয়াৰ গেলা পুখুৰীৰ বাইপাছত থকা কনভেনছন চেণ্টাৰত উপস্থিত হৈ তাৰ পিছত তেওঁ মাৰ্ঘেৰিটা ভ্ৰমণ কৰে। ডিগবৈ আৰু মাকুম ভ্ৰমণ কৰাৰ পাছত শ্ৰী সোণোৱালে খেল' ইণ্ডিয়াৰ এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে তিনিচুকীয়াৰ টি ডি এ সাংস্কৃতিক প্ৰকল্পত উপস্থিত হয়।

oooooooo

ৰাজ্যৰ বান পৰিস্থিতি উন্নত হোৱাৰ পাছত পশুধন আৰু হাঁহ-কুকুৰাক ৰোগৰ পৰা ৰক্ষা কৰিবলৈ পশুপালন বিভাগক যাৱতীয় নিৰীক্ষণ আৰু প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে কৃষি আৰু পশুপালন মন্ত্ৰী অতুল বৰাই নিৰ্দেশ দিছে। দিছপুৰত অনুষ্ঠিত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ এখন বৈঠকত শীৰ্ষ বিষয়াসকলক এই দিশত তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিছে। পশুপালন আৰু দুগ্ধ খণ্ডৰ গুৰুত্ব বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই খণ্ডসমূহৰ উন্নয়ন আৰু পশুপালক তথা দুগ্ধপালকসকলৰ সবলীকৰণ সুনিশ্চিত কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখা হৈছে বুলি মন্ত্ৰী শ্ৰীবৰাই প্ৰকাশ কৰিছে। এই বৈঠকত কৃত্ৰিম প্ৰজননৰ লগতে বিভিন্ন আঁচনি আৰু প্ৰকল্পৰ বৰ্তমানৰ স্থিতিৰ বিষয়ে বিশদভাৱে পৰ্যালোচনা কৰা হয়। কৃষকসকলৰ সুবিধাৰ্থে কামসমূহ নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পন্ন কৰিবলৈ তেওঁ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে।

oooooooo

চিকিৎসা বিজ্ঞানৰ স্নাতক পৰ্যায়ৰ প্ৰৱেশ পৰীক্ষাৰ ফলাফল চহৰ আৰু পৰীক্ষা কেন্দ্ৰ অনুসৰি কাইলৈ দুপৰীয়া ১২ বজাৰ ভিতৰত ৱেবছাইটত প্ৰকাশ কৰিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশনা জাৰি কৰিছে। পৰীক্ষা অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাক উচ্চতম ন্যায়ালয়ে এই নিৰ্দেশ দিছে। পৰীক্ষাৰ্থীৰ পৰিচয় গোপনে ৰাখি এই ফলাফল ঘোষণা কৰিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছে। **নীট ইউ জি** পৰীক্ষাৰ কেলেংকাৰী গোচৰৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু ন্যায়াধীশ মনোজন মিশ্ৰক লৈ গঠিত বিচাৰ পীঠে এই নিৰ্দেশ দিছে। গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ২২ জুলাই ধাৰ্য কৰাৰ লগতে সেইদিনাই চূড়ান্ত ৰায় দিয়াৰ সম্ভাৱনা আছে।

oooooooo

ঃসমাপ্তঃ